## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ চতুৰ্থ** **বিষয় ঃ ভাষা-১ (অসমীয়া)** **তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ, ২০১৮) ইং**

**শিকন ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফল ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ ভাঙিব আৰু গঠন কৰিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে বাক্যৰচনা, দফা, ৰচনা আদি লিখিব পাৰিব।

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত শব্দ/বাক্য লিখিব পাৰিব।

⇨ পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পাৰিব।

⇨ দফা, চিঠি আৱেদন, ৰচনা আদি লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ -২০১৮) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) অসমৰ কাঁহ শিল্প | - পাঠ নং ৯ |
| খ) বৰদৈচিলা | - পাঠ নং ১০ |
| গ) ব্ৰহ্মপুত্ৰ | - পাঠ নং ১১ |
| ঘ) আজৰি পৰৰ কাম | - পাঠ নং ১২ |

**পাতনি ঃ**

এই সমলসামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন - ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

প্ৰাথমিক স্তৰৰ লিখন কৌশলৰ বিকাশ বুলিলে আমি বুজি পাওঁ যে, ছাত্ৰ-ছাত্ৰীয়ে মাতৃভাষাৰ বিভিন্ন আখৰবোৰ সঠিক গঢ়ত লিখাৰ দক্ষতা আহৰণ কৰা, পাঠ্যপুথিত থকা শব্দ আৰু সহজ-সৰল বাক্যবোৰ চাই চাই লিখিব পৰা, শ্ৰুতলিপি লিখিব পৰা আৰু লিখোঁতে ব্যৱহাৰ হোৱা যতি চিহ্ন, যেনে - দাড়ি, কমা, উৰ্দ্ধকমা আদিৰ সাধাৰণ জ্ঞান আহৰণ কৰা । প্ৰাথমিক স্তৰৰ শেষলৈ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ নিৰ্দেশনা, সহায় আৰু তত্বাৱধানত চমু ৰচনা, চিঠি, চুটি সাধু আদিৰ দক্ষতা আহৰণ কৰিব লাগে। এই স্তৰত ছাত্ৰ-ছাত্ৰীয়ে লিখনৰ যান্ত্ৰিক দিশৰ লগতে মানসিক বা বৌদ্ধিক দিশৰ সৈতেও পৰিচিত হয়। সুন্দৰ আৰু স্পষ্ট হাতৰ আখৰ লিখাৰ অভ্যাসো প্ৰাথমিক স্তৰতে গঢ় লৈ উঠিব লাগে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলৰ গুৰুত্ব অপৰিসীম ঃ**

⇨ মাতৃভাষাৰ ভেটি সবল কৰাৰ লগতে অন্যান্য বিদ্যায়তনিক বিষয়সমূহো শিকিবলৈ লিখন অৰ্হতাৰ প্ৰয়োজন।

⇨ যি কোনো পৰিৱেশত শুনা ঘটনা বা কাহিনী নিজৰ ভাষাত সজাই পৰাই লিখিব পৰা হোৱা।

⇨ শ্ৰুতলিপিৰ যোগেদি দ্ৰুত লিখন কৌশল আয়ত্ত কৰা।

⇨ বাক্যত যুক্তাক্ষৰযুক্ত শব্দ প্ৰয়োগ কৰিব পৰা।

⇨ দফা, চিঠি, আৱেদন আদি লিখিব পৰা।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম?**

⇨ এই সমল সামগ্ৰীৰ পৰা আমি ওপৰত উল্লেখ কৰা শিকন ঘাটিসমূহ পূৰণৰ বাবে শ্ৰেণীকোঠাত নতুন পৰিকল্পনা কৰিব পাৰিম।

⇨ ক্ৰিয়া-কলাপ আৰু অনুশীলনেৰে লিখন দক্ষতা বৃদ্ধি কৰিব পাৰিম।

⇨ এই সমল সামগ্ৰীৰ জৰিয়তে পাঠ্যপুথিত থকা ক্ৰিয়া বা অনুশীলনীৰ বাহিৰেও শিক্ষকৰ সহায়ক হ'ব পৰাকৈ অতিৰিক্ত ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ নতুন নতুন উদ্ভাৱনীমূলক চিন্তাৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণীকোঠা গতিশীল কৰিম।

**লিখন দক্ষতা বিকাশৰ ব্যৱস্থাৱলীঃ**

⇨ এই সমল-সামগ্ৰী অধ্যয়ন কৰি লিখন কৌশল সৰলীকৰণৰ বিভিন্ন ক্ৰিয়া-কলাপ কৰিবলৈ অনুপ্ৰাণিত হ'ব।

⇨ শুদ্ধ বানান লিখনৰ গুৰুত্ব অনুধাৱন কৰিব পাৰিব।

⇨ নিয়মিত অনুশীলন আৰু অভ্যাসৰ জৰিয়তে যিকোনো মূলভাৱ, সাৰাংশ আদি লিখিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ অগ্ৰগতিৰ মান নিৰূপণ কৰিব পাৰিব।

⇨ লিখনৰ দ্ৰুততা বৃদ্ধিৰ বাবে ব্যৱস্থা ল'ব পাৰিব।

শ্ৰেণীকোঠাত সাধাৰণতে দেখা যায় যে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে শ্ৰুতলিপি দিলে, প্ৰশ্নোত্তৰ লিখিবলৈ দিলে বা প্ৰাসংগিক অন্যান্য বিষয়বস্তুৰ বিষয়ে লিখিবলৈ দিলে সততে বানান ভুল কৰে। বিশেষকৈ যুক্তাক্ষৰযুক্ত শব্দ, সমোচ্চাৰিত শব্দ লিখিবলৈ দিলে বানান ভুল কৰে। এনে ক্ষেত্ৰত শিক্ষক হিচাপে আমি কেনেধৰণৰ ব্যৱস্থা ল'ব পাৰোঁ ক্ষেত্ৰ অধ্যয়ন, ক্ৰিয়া-কলাপৰ জৰিয়তে জানিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ আৰ্হিমূলক ৰূপৰেখা এটা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

**মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া)**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ১) বিভিন্ন ধৰণৰ শব্দ/বাক্য লিখিব পৰা, বাক্য গঠন কৰিব পৰা<br>২) পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা<br>৩) বাক্য ৰচনা কৰিব পৰা | ⇨ অংকুৰণ (চতুৰ্থ)<br>⇨ যুক্তাক্ষৰযুক্ত শব্দৰ কাৰ্ড, চাৰ্ট<br>⇨ ছবি কাৰ্ড (ডাঙৰ)<br>⇨ বাক্য কাৰ্ড<br>⇨ বাক্যাংশৰ কাৰ্ড<br>⇨ ব্লেক বোৰ্ড<br>⇨ চক পেঞ্চিল, ডাষ্টাৰ। | দলীয় কাৰ্য<br>দলীয় কাৰ্য<br>দলীয় কাৰ্য | বাক্য ৰচনা কৰা —<br>⇨ ক) খা-খবৰ খ) ধন-সোণ গ) হাত-মুখ।<br>⇨ 'স্ত' যুক্তাক্ষৰটোৰ সহায়ত তিনিটা শব্দ লিখি বাক্য ৰচনা কৰা।<br>⇨ 'ক্ষ্ম' যুক্তাক্ষৰ থকা ৩ টা শব্দ লিখা। | অবিৰত আৰু সামগ্ৰীক মূল্যায়ন |
| কাহিনী/সাধু, ৰচনা আদি লিখিব পৰা | ⇨ পাঠ্য বহিৰ্ভূত সামগ্ৰী, ছবি কাৰ্ড বাতৰি-কাকত, আলোচনী আদি | ক্ৰিয়া-কলাপ | তলৰ শব্দকেইটা ব্যৱহাৰ কৰি এটা সাধু/কাহিনী লিখা।<br>⇨ কাউৰী, শিল, পানী, মাটি কলহ, বুধিয়ক।<br>⇨ ছবি কাৰ্ড চাই অৰ্থপূৰ্ণ বাক্য আৰু কাহিনী লিখা।<br>⇨ আমাৰ বিদ্যালয়, গৰু বা বিহু, সম্পৰ্কে ৰচনা লিখা। | |

**ক্ষেত্ৰ অধ্যয়ন (Case Study) ঃ**

শ্ৰীযুত ধৰণী কলিতা চতুৰ্থ শ্ৰেণীৰ ভাষা বিষয় (অসমীয়া) ৰ শিক্ষক। শ্ৰীযুত কলিতা ছাৰে ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ অগ্ৰগতি জানিবলৈ পাঠ্যপুথিৰ পাঠৰ পৰা শ্ৰুতলিপি দিলে। তেওঁ বহী নিৰীক্ষণ কৰি দেখা পালে যে, ছাত্ৰ-ছাত্ৰীৰ প্ৰায় ৮০ জনে 'ম্ল' ত্ৰ, ৰ্থ, ন্য যুক্ত শব্দবোৰ শুদ্ধকৈ লিখিব পৰা নাই। শিক্ষক হিচাপে ছাত্ৰ-ছাত্ৰীৰ বৰ্ণাশুদ্ধিৰ দোষ আঁতৰাবলৈ কেনেধৰণৰ ব্যৱস্থা ল'ব তাৰ বাবে এটি পৰিকল্পনা যুগুত কৰি ল'লে।

**ক্ৰিয়া-কলাপ -১ ঃ** তেওঁ ছাত্ৰ-ছাত্ৰীয়ে লিখোঁতে ভুল কৰা বৰ্ণ বা আখৰ আৰু শব্দসমূহৰ তালিকা প্ৰস্তুত কৰি শব্দত থকা যুক্তাক্ষৰবোৰ উলিয়াই ল'লে আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত দল গঠন কৰি যুক্তাক্ষৰ ভঙা আৰু গঠনৰ খেল খেলালে।

**ক্ৰিয়া-কলাপ - ২ ঃ** পকেট বোৰ্ডৰ সহায়ত যুক্তাক্ষৰবোৰ উলিয়াই সেইবোৰ ভঙা পতা কৰিবলৈ আৰু শব্দ গঠন কৰিবলৈ দিলে। ছাত্ৰ-ছাত্ৰীসকলক দুটা দলত ভাগ কৰি ল'লে। শিকন কোণত সামগ্ৰীসমূহ আগতীয়াকৈ সজাই ল'লে। প্ৰথম দলক নিৰ্দিষ্ট যুক্তাক্ষৰ এটা বিচাৰি লৈ দ্বিতীয় দলৰ সমুখত দাঙি ধৰিবলৈ আৰু দ্বিতীয় দলৰ দুজন ছাত্ৰ গৈ শিকন কোণৰ পৰা যুক্তাক্ষৰটো গঠন হোৱা বৰ্ণ কাৰ্ড কেইখন বিচাৰি লৈ সকলোৰে দেখাকৈ দাঙি ধৰিবলৈ কলে। শিক্ষকে শুদ্ধ হৈছে বুলি কোৱাৰ লগে-লগে নিজৰ বহীত যুক্তাক্ষৰটো লিখি ল'বলৈ কলে। এনেদৰে ক্ৰিয়া-কলাপটো চলি থাকিব। তেওঁ এটা দিনত দুটা বা তিনিটা যুক্তাক্ষৰ শিকাত গুৰুত্ব দিছিল।

ইয়াৰ পাছত দলসমূহক নিজৰ পাঠ্যপুথিৰ পাঠৰ পৰা নিৰ্দিষ্ট যুক্তাক্ষৰকেইটা ব্যৱহাৰ কৰি গঠন হোৱা শব্দ সমূহ বিচাৰি লৈ নিজৰ বহীত লিখিবলৈ কলে। সেই শব্দ সমূহ ব্যৱহাৰ কৰি একোটাকৈ বাক্য ৰচনা কৰিবলৈ দিলে। ছাত্ৰ-ছাত্ৰীসকলে সকলো ক্ৰিয়া-কলাপত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা পৰিলক্ষিত হ'ল।

***বিঃদ্ৰঃ - শ্ৰেণী কোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীক কলিতা ছাৰে বিশেষভাৱে গুৰুত্ব দিছিল।***

**চিন্তা কৰি চাওঁ আহক ঃ**

- ⇨ শ্ৰীযুত ধৰণী কলিতা ছাৰে যুগুত কৰি লোৱা পৰিকল্পনা সকলো বৰ্গৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শিকন দক্ষতা আহৰণত সহায়ক হৈছিলনে?
- ⇨ পকেট বোৰ্ডৰ ক্ৰিয়া-কলাপে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব পাৰিছিল বুলি আপুনি অনুভৱ কৰেনে?
- ⇨ যুক্তাক্ষৰ ভঙা আৰু পতা খেলসমূহে ছাত্ৰ-ছাত্ৰীৰ মনত প্ৰতিযোগিতামূলক মনোভাৱ গঢ়ি তুলিব পাৰিছে বুলি আপুনি ভাৱে নে?
- ⇨ ছাত্ৰ-ছাত্ৰীৰ শিকন দুৰ্বলতাসমূহ চিনাক্ত কৰি সমাধান কৰিবলৈ আপোনাৰ মনলৈও এনেধৰণৰ উদ্ভাৱনীমূলক চিন্তাৰ উদ্ভৱ হোৱা নাই নে?

ওপৰত বৰ্ণনা কৰা শ্ৰীযুত ধৰণী কলিতা ছাৰৰ ক্ৰিয়া-কলাপৰ আলমত তলত দিয়া ধৰণে আমিও আমাৰ শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপ কৰি চাওঁ আহক।

**ক্ৰিয়া-কলাপ ঃ-** প্ৰথমে পাঠত থকা জটিল শব্দবোৰ বাছিলৈ আৰু সেই শব্দবোৰ গঠন হওঁতে ব্যৱহাৰ হোৱা যুক্তাক্ষৰবোৰ বিচাৰি লৈ এখন তালিকা প্ৰস্তুত কৰি ল'ব পাৰি। অভিধান চাই শব্দবোৰৰ অৰ্থ তালিকাত সংলগ্ন কৰি, পাছত তলত দিয়াৰ দৰে যুক্তাক্ষৰ কাৰ্ড প্ৰস্তুত কৰি ল'ব পাৰি।




এডাল বাঁহৰ কাঠিৰ দ্বাৰা বৰ্ণ কাৰ্ডবোৰ সংযোগ কৰি ল'ব, যাতে ছাত্ৰ-ছাত্ৰীয়ে কোৱাৰ লগে লগে নিৰ্দিষ্ট বৰ্ণটো সকলোৰে দেখাকৈ ডাঙি ধৰিব পাৰি।

সাৰাংশ ঃ

⇨ যুক্তাক্ষৰযুক্ত শব্দ আৰু বাক্য শুদ্ধকৈ লিখিব পাৰিছে।

⇨ ক্রিয়া-কলাপত সকলো ছাত্র-ছাত্রীয়ে সক্রিয়ভাৱে অংশ গ্রহণ কৰিছে।

**দৃঢ়ীকৰণ ঃ**

⇨ ছাত্র-ছাত্রীৰ শিকন দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্রশ্নসমূহ কৰি চাওঁচোন —

ক) ঞ্জ, ক্ষ্ম, হ্ন যুক্তাক্ষৰকেইটা ভাঙি দেখুওৱা।

খ) ক্ষ, হ্ণ, ষ্প, ন্ত্র যুক্তাক্ষৰকেইটা ব্যৱহাৰ কৰি দুটাকৈ শব্দ লিখা।

গ) মন্ত্র, কণ্ঠ, পুষ্প শব্দ ব্যৱহাৰ কৰি একোটাকৈ বাক্য লিখা।

⇨ বাক্য ৰচনা কৰা ঃ

খা-খবৰ, ধন-সোণ।

**ছাত্র-ছাত্রীৰ বাবে অনুশীলন ঃ**

ক) বৰ্ণ চাৰ্টৰ সহায়ত শব্দ লিখা ঃ উদাহৰণ ঃ জহামল, কৌ-পাত

| | | | | | | |
|---|---|---|---|---|---|---|
| | | চ | | | | |
| অ | গ | শ | ৰ | ধ | স | া |
| ই | প | ক | জ | হ | ট | ি |
| ত | ঈ | ল | ম | আ | ন | ে / ৌ |

⇨ **তলৰ বাক্যকেইটা শুদ্ধকৈ লিখা —**

বিদ্যালয় আমাৰ এইখন। বিদ্যালয়ত আছে ফুলনীবাৰী এখন। ভালপাওঁ আমাৰ বিদ্যালয় আমি। কৰোঁ গৌৰৱ আমি বিদ্যালয়খনক লৈ আমাৰ। পৰিষ্কাৰ ৰাখোঁ কৰি আমাৰ বিদ্যালয়খন আমি।

⇨ **যুক্তাক্ষৰ গঠন কৰি একোটাকৈ শব্দ লিখা —**

ক) ষ + প + ৰ = ☐

খ) ন + ত + ৰ = ☐

গ) ত + ম + য = ☐

⇨ **এটা দফা লিখা —**

অসমৰ বানপানী।

⇨ **সাধুটো সম্পূৰ্ণ কৰা —**

গৰমকালি সিংহ এটা গছৰ তলত শুই আছিল। তেনেতে নিগনি এটা আহি সিংহৰ গাত উঠিল। সিংহৰ কেঁচা টোপনি ভাঙিল ..........................................................................।

⇨ আমাৰ বিদ্যালয়, গৰু বা বিহু সম্পৰ্কে ৰচনা লিখা।

**প্ৰসঙ্গপুথি —**

⇨ অংকুৰণ (চতুৰ্থ ভাগ)।

⇨ অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি।

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

***